بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# আল্লাহৰ একত্ববাদৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ ঈমান বৰ্দ্ধক বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৭ মাৰ্চ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)ৰ জীৱনীৰ আলোকত একত্ববাদৰ কথাৰ উল্লেখ হৈছিল। মক্কা বিজয়ৰ সময়ত মূৰ্তিসমূহ ভাঙি পেলোৱাৰ বিৱৰণ বিগত খোতবাত বৰ্ণনা কৰা হৈছিল। এই সকলোবোৰ কথা তেখেত (ছাঃ)য়ে একত্ববাদৰ ঘোষণা হিচাপে কৰিছিল যে যি মূৰ্তিবোৰৰ তোমালোকে উপাসনা কৰা, সেইবোৰৰ অৱস্থা এনেকুৱা। তায়েফৰ বাসিন্দা সকলৰ প্ৰতিমা লাত'ৰ বিষয়ে এনেদৰে বৰ্ণনা পোৱা যায় যে লাত প্ৰতিমাটোক তিনি বছৰলৈকে ভাঙিব নালাগে বুলি অনুৰোধ জনাইছিল। কিন্তু তেখেত (ছাঃ)য়ে এই অনুৰোধ গ্ৰহণ নকৰি প্ৰতিমাটো ভাঙি পেলাইছিল।

হুজুৰ কৈছে যে নবী কৰিম (ছাঃ)য়ে মক্কাৰ পৌত্তলিকসকলৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰাই নাছিল, বৰঞ্চ মুছলমান সকলৰ হৃদয়ত একত্ববাদ দৃঢ় কৰি তুলিছিল। তেখেত (ছাঃ)য়ে চাহাবাসকলক এনেদৰে প্ৰশিক্ষণ কৰিছিল যে তেওঁলোকৰ হৃদয়ত শ্বিৰকৰ কোনো ধাৰণাই সৃষ্টি হোৱা নাছিল।

হজৰত ইবনে আববাছ (ৰাঃ)ৰ পৰা বৰ্ণিত যে তেওঁ হজৰত উমৰ (ৰাঃ)ক মেম্বাৰত এই কথা শুনিছিল যে মই নবী কৰিম (ছাঃ)ক এই কথা কৈ থকা শুনিছো যে মোৰ প্ৰশংসা কৰাত অতিৰঞ্জিত নকৰিবা, যিদৰে খ্ৰীষ্টানসকলে মছীহৰ প্ৰশংসা কৰাত অতিৰঞ্জিত কৰিছিল। মই কেৱল খোদাৰ এজন

বান্দা। গতিকে তোমালোকে মোক খোদাৰ বান্দা আৰু ৰছুল বুলি কোৱা। এসময়ত ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল যে আল্লাহ তা'লাই তোমালোকক পিতৃ-পুৰুষসকলৰ শপত ল'বলৈ নিষিদ্ধ কৰিছে। যিয়ে শপত খাব বিচাৰে, তেওঁ আল্লাহৰ  শপত ল'ব। তেখেত (ছাঃ)য়ে খোদাৰ একত্ববাদৰ সৈতে কোনো বস্তুৰ অংশীদাৰ কৰাটো সহ্য কৰা নাছিল।

এজন চাহাবাই ৰছুল কৰিম (ছাঃ)ক সুধিছিল যে যুদ্ধত যদি শত্রুৱে মোৰ হাত কাটি পেলায়  আৰু তৎক্ষণাত  তেওঁ কলিমা পাঠ কৰি ইছলাম গ্ৰহণ কৰে, এনে ক্ষেত্ৰত মই তেওঁক হত্যা কৰিব পাৰিমনে ? ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল, নহয়; তেওঁক হত্যা নকৰিবা। তেখেত (ছাঃ)য়ে অধিক বিস্তাৰিতভাৱে বৰ্ণনা কৰিছে যে যদি কলিমা পাঠ কৰাৰ পিছত তেওঁক হত্যা কৰা,তেন্তে সেই ব্যক্তিজন কলিমা পাঠ কৰাৰ বাবে তোমাতকৈ উত্তম অৱস্থাত হ'ব আৰু তুমি তেওঁতকৈ অধিক নিকৃষ্ট অৱস্থালৈ পৰিণত হ'বা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, চাহাবাসকলে যদি এনেকুৱা আচৰণ কৰিছিল, তেন্তে  আঁহজৰত (ছাঃ)য়ে বৰকৈ বেয়া পাইছিল। কিন্তু আজিকালিৰ আলিমসকলৰ অৱস্থা চাওক। পাকিস্তানত আহমদীসকলে কলিমা পাঠ কৰা সত্ত্বেও তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰাত সীমা চেৰাই গৈছে। সেই অত্যাচাৰ কৰা সকলৰ সিদ্ধান্ত  আঁহজৰত (ছাঃ)য়ে এটা বৰ্ণনাত বৰ্ণনা কৰিছে। গতিকে সেই দেশৰ উগ্ৰস্বভাৱ মৌলৱীসকলৰ অনুগামীসকলৰ চিন্তা কৰা উচিত।

আঁহজৰত (ছাঃ)য়ে কৈছে যে মই তোমালোকৰ প্ৰতি আটাইতকৈ যি বস্তুৰ ভয় কৰো, সেয়া হৈছে শ্বিৰকে আচগৰ, অৰ্থাৎ প্ৰদৰ্শনীয়তা। কিয়ামতৰ দিনা যেতিয়া লোকসকলক তেওঁলোকৰ কৰ্মৰ প্ৰতিদান দিয়া হ'ব, তেতিয়া আল্লাহ তা'লাই প্ৰদৰ্শনীয়তাসকলক ক'ব যে তোমালোকে সেইসকল লোকৰ ওচৰলৈ যোৱা, যিসকল লোকৰ বাবে তোমালোকে প্ৰদৰ্শনীয়তা কৰিছিলা। তেওঁলোকৰ ওচৰলৈ গৈ চোৱা যে তেওঁলোকৰ পৰা তোমালোকে কোনো প্ৰতিদান লাভ কৰিব পাৰিছানে ? নবী কৰিম (ছাঃ)য়ে কৈছে, আল্লাহ তা'লাই কৈছে যে আদমৰ সন্তানে মোক মিছলীয়া বুলি কয়  আৰু মোৰ মৰ্যাদাৰ ত্ৰুটি বিচাৰে। এনেকুৱা কৰাটো সেইজনাৰ  মৰ্যাদা নহয়। সেইজনাক মিছলীয়া বুলি কোৱাটোৰ অৰ্থ এইটো যে তেওঁলোক পুনৰুত্থান হোৱাটো অস্বীকাৰ কৰে। যিদৰে আল্লাহ তা'লাই তেওঁলোকক প্ৰথমবাৰ সৃজন কৰিছে সেইদৰে তেওঁলোকক পুনৰুত্থান কৰাটো খোদাৰ বাবে সহজ। তেওঁলোকৰ অহংকাৰ হৈছে যে তেওঁলোকে আল্লাহৰ সন্তান আছে বুলি বিশ্বাস কৰে। আল্লাহ তা'লা সকলো প্ৰয়োজনীয়তাৰ পৰা মুক্ত, অনিৰ্ভৰশীল আৰু একক।

ছুৰা এখলাচৰ বৰ্ণনা কৰি হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে,
আল্লাহ তা'লাই কৈছে আল্লাহ সেই সত্তা, যাৰ ওপৰত সকলোৱে নিৰ্ভৰশীল, খোদা কাৰো ওপৰত নিৰ্ভৰশীল নহয়। সেই এটা বাক্য কেৱল এটা শাৰী হিচাপে চোৱা উচিত নহয়। সেই বাক্যশাৰীয়ে আল্লাহৰ অস্তিত্বক কিমান সূক্ষ্মভাৱে আৰু উৎকৃষ্টভাৱে প্ৰতিটো প্ৰকাৰৰ অংশগ্ৰহণৰ পৰা পৱিত্ৰ কৰি ৰাখিছে।

হুজুৰ আনোৱাৰ  (আইঃ)য়ে ছুৰা এখলাচক ছুলুছুল কোৰআন বুলি কৈছে, অৰ্থাৎ কোৰআনৰ তৃতীয়াংশ। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই উদ্ধৃতিত কৈছে, ইয়াৰ অৰ্থ হৈছে ছুৰা এখলাচৰ বিষয়টো বৰ গুৰুত্বপূৰ্ণ। কোৰআন কৰিম আৰু হাদীছৰ অধ্যয়নৰ পৰা জনা যায় যে শেষ যুগত দুটা ফিৎনা সৃষ্টি হৈছিল, এটা হৈছে দাজ্জালী ফিৎনা, আনটো হৈছে ইয়াজুজ-মাজুজৰ ফিৎনা। এই দুয়োটা ফিৎনাই এটাৰ পিছত

আনটোৰে ইছলামৰ সৈতে সংঘৰ্ষ কৰিছিল। এটা ফিৎনা এক খোদাক গ্ৰহণ কৰাৰ পৰিৱৰ্তে তিনি খোদাৰ বিশ্বাসী হৈ পৰিছে, অৰ্থাৎ খোদা পিতৃ, পুত্ৰ আৰু ৰূহুল কুদুছ। দ্বিতীয় ফিৎনা হৈছে নাস্তিক, অৰ্থাৎ তেওঁলোকে আৰম্ভণিৰে পৰাই খোদাৰ অস্বীকাৰী। কোৰআন কৰিমে এই দুয়োটা বিশ্বাসক খণ্ডন কৰিছে। কোৰআন কৰিমে খোদা এক বুলি খোদাৰ সত্তাক প্ৰতিষ্ঠিত কৰিছে। খোদা পুত্ৰ আৰু ৰূহুল কুদুছৰ বিশ্বাসক কঠোৰভাৱে খণ্ডন কৰিছে। কোৰআন কৰিমে তিনি খোদাৰ পৰিৱৰ্তে কেৱল এক খোদাক প্ৰকৃত খোদা বুলি সাব্যস্ত কৰিছে। এই কথা স্পষ্ট যে কোৰআন কৰিমৰ তৃতীয়াংশ খোদাৰ সমৰ্থনত আছে, সেই কাৰণে ছুৰা এখলাচ কোৰআন কৰিমৰ তৃতীয়াংশ। হজৰত মছীহ মাউওদ (আঃ)য়ে কৈছে যে প্ৰকৃত তৌহিদ কেৱল নবীৰ জৰিয়তে লাভ হ'ব পাৰে, যিদৰে আমাৰ নবী কৰিম (ছাঃ)য়ে আৰবৰ নাস্তিকসকলক আৰু অধাৰ্মিক সকলক ঐশ্বৰিক নিদৰ্শন দেখুৱাই খোদা তা'লাৰ অস্তিত্বৰ বিশ্বাসী কৰি তুলিছিল।

হুজুৰ কৈছে বৰ্তমান যুগত ইয়াজুজ-মাজুজ আৰু দাজ্জালী ফিৎনাই মুছলমানসকলৰ মাজত প্ৰকৃত তৌহিদৰ অনুভূতি হ'বলৈ দিয়া নাই। গতিকে বৰ্তমান যুগত আঁহজৰত (ছাঃ)ৰ প্ৰকৃত দাস হজৰত মছীহ মাওউদ ও মাহদী মাওউদৰ আগমন হ'বলগীয়া আছিল আৰু তেখেতৰ আগমন হৈছে। তেখেতে তৌহিদৰ বিৰুদ্ধে হোৱা সকলো প্ৰকাৰ আক্ৰমণৰ প্ৰতিদ্বন্দ্বিতা কৰিছে। প্ৰকৃত বয়াত গ্ৰহণৰ অধিকাৰ তেতিয়া পালন কৰিব পাৰিম, যেতিয়া আমি প্ৰকৃত তৌহিদৰ মান্যকাৰী হ'ম।

তৌহিদৰ উচ্চ স্থানৰ বিষয়ে এবাৰ আঁহজৰত (ছাঃ)য়ে কৈছে যে হজৰত মুছাই খোদাক কৈছিল যে হে খোদা, মোক এনেকুৱা কথা শিকাই দিয়ক, যাৰ জৰিয়তে মই তোমাৰ গুণ কীৰ্তন কৰো আৰু তোমাৰ ওচৰত প্ৰাৰ্থনা কৰো। খোদা তা'লাই কৈছে, হে মুছা, তুমি **লা ইলাহা ইল্লাল্লাহু** বুলি কোৱা, হজৰত মুছাই কৈছিল যে তোমাৰ সকলো বান্দাই এই বাক্যই কয়, খোদা তা'লাই এই কথাই দ্বিতীয়বাৰ ক'বলৈ কৈছিল, হজৰত মুছাই জোৰ দিয়াত আল্লাহ তা'লাই কৈছিল, হে মুছা, মোৰ বাহিৰে যদি পৃথিৱীৰ সকলো বস্তু এটা তৰাজুত ৰাখি দিয়া হয় আৰু সপ্তম পৃথিৱী এটা তৰাজুত ৰখা হয়, আৰু দ্বিতীয় তৰাজুত **লা ইলাহা ইল্লাল্লাহু** ৰাখি দিয়া হয়, তেন্তে **লা ইলাহা ইল্লাল্লাহু**ৰ তৰাজুটো সকলো বস্তুতকৈ অধিক ওজন হ'ব।

হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত কৈছে, হজৰত মহম্মদ (ছাঃ)ৰ শিক্ষা এইটো যে লা ইলাহা ইল্লাহু মহম্মদুৰ ৰাছুলুল্লাহ ক'লে সকলো পাপ মুক্ত হৈ যায়, এইটো সঁচা আৰু প্ৰকৃত বাস্তৱ। যিয়ে খোদাক অংশীবিহীন বুলি ভাৱে আৰু মহম্মদ (ছাঃ)ক সেই সৰ্বশক্তিমানে প্ৰেৰণ কৰিছে বুলি বিশ্বাস কৰে, এই কলিমাৰ ওপৰত বিশ্বাসী হৈ যদি মৃত্যু বৰণ কৰে, তেন্তে তেওঁ মুক্তি পাই যাব।

এবাৰ নবী কৰিম (ছাঃ)য়ে কৈছে যিয়ে ক'ব মই সাক্ষী দিও যে আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই আৰু খোদা এক আৰু সেইজনাৰ কোনো অংশীদাৰ নাই, মহম্মদ (ছাঃ) সেইজনাৰ বান্দা আৰু ৰছুল, আৰু ঈছা খোদাৰ বান্দা আৰু তেওঁৰ দাসীৰ পুত্ৰ, আৰু মৰিয়মক যি ইলহাম কৰা হৈছিল সেই অনুসৰি আল্লাহৰ ফালৰ পৰা এটা পৱিত্ৰ আত্মা, আৰু এই বিশ্বাসো কৰে জান্নাত সত্য, জাহান্নাম সত্য, আল্লাই তেওঁক আঠ দুৱাৰৰ যি দুৱাৰেদি প্ৰৱেশ কৰিব বিচাৰে সেই দুৱাৰেদি প্ৰৱেশ কৰাব পাৰিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, হজৰত মহম্মদ (ছাঃ)য়ে সদায় তৌহিদৰ বৰ্ণনা কৰিছে আৰু উম্মতৰ মাজত এই বিশ্বাস দৃঢ় কৰাৰ চেষ্টা কৰিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ মতে আঁহজৰত (ছাঃ)য়ে আল্লাহৰ মহিমা বৰ্ণনা কৰাত ইমানেই উৎসাহিত আছিল যে বিৰোধী সকলেও এই কথা স্বীকাৰ কৰিছিল। এজন ফ্ৰান্সৰ ইতিহাসবিদে লিখিছে যে নবুয়তৰ দাবীৰ পৰা মৃত্যুলৈকে তেখেত (ছাঃ) ৰ মুখত

সদায় আল্লাহৰ কথা স্মৰণ কৰিছে। তেখেত (ছাঃ)ৰ একমাত্ৰ উদ্দেশ্য আছিল আল্লাহৰ একত্ববাদক পৃথিৱীত বিস্তাৰ কৰা।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এঠাইত কৈছে যে এই ধাৰণা কৰা উচিত যে ৰছুলে কৰিম (ছাঃ)ৰ মৰ্যাদা যিমানেই উচ্চ নহওক কিয় আৰু তেখেত (ছাঃ)ৰ সৈতে ভালপোৱা যিমানেই অধিক নহওক কিয়, আল্লাহ তা'লাৰ মহিমা তেখেত (ছাঃ)ৰ মৰ্যাদাতকৈ অধিক উচ্চ। খোদা তা'লা চিৰন্তন, মহম্মদ (ছাঃ) সেইজনাৰ কল্যাণৰ এক বৃহৎ মাধ্যম। যদি তেখেত (ছাঃ)ক এনেকুৱা মৰ্যাদা দিয়া হয়, যিয়ে খোদাৰ মহিমাৰ হানি কৰে, তেন্তে তেখেত (ছাঃ)ৰ অস্তিত্বৰ সৈতে শত্ৰুতা কৰা হ'ব।

আঁহজৰত (ছাঃ)য়ে তৌহিদ প্ৰতিষ্ঠা কৰিবলৈ ইমানেই দৃঢ় আছিল যে মৃত্যুৰ সময়তো বাৰে বাৰে তেখেত (ছাঃ)ৰ মুখৰ পৰা এই কলিমা ওলাইছিল যে খোদা ইহুদী আৰু খ্ৰীষ্টান সকলৰ ওপৰত অভিশাপ কৰক, কাৰণ তেওঁলোকে তেওঁলোকৰ নিজৰ নবীৰ কবৰক মছজিদ বনাই লৈছে। তেখেত (ছাঃ)য়ে বাৰে বাৰে এই কথাই কৈছিল। জাতিক শেষ উপদেশ আৰু বাৰ্তা তেখেত (ছাঃ)য়ে এয়াই দিছিল যে মোৰ কবৰক অংশীদাৰৰ স্থান নবনাবা।

হুজুৰ আনোৱাৰ (আইঃ) কৈছে যে এই কথাৰ প্ৰতি লক্ষ্য ৰখা উচিত যে আমাৰ মাজত একত্ববাদৰ অনুভূতি সৃষ্টি হৈ আল্লাহৰ তৌহিদ প্ৰতিষ্ঠাৰ বাবে সম্পূৰ্ণৰূপে প্ৰকৃত একত্ববাদ প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰা উচিত। আল্লাহ তা'লা আমাক ইয়াৰ সৌভাগ্য দান কৰক।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আমেৰিকা আৰু ইজ্ৰাইলে ইৰাণৰ বিৰুদ্ধে যুদ্ধৰ জৰিয়তে বিশেষকৈ মুছলমান দেশসমূহত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিব বিচাৰে, যাৰ ফলত পৰিস্থিতি আৰু বেয়া হৈ আছে। আৰব দেশসমূহৰ ক্ষতি হৈ আছে। হুজুৰ মুছলমান দেশসমূহক এনে পৰিস্থিতিক বুজি পাই ঐক্যবদ্ধ হ'বলৈ সতৰ্ক কৰিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আল্লাহ তা'লা আমাক এই ক্ষেত্ৰত দোৱা কৰাৰ সৌভাগ্য দান কৰক আৰু ইছলামিক দেশসমূহক ঐক্যৰ যুঁজত একত্ৰিত হোৱাৰ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَكَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَّآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB